Volume - VI

2011

JOURNAL OF

# ITIHAS ADHYAYAN CHAKRA

DEPARTMENT

OF

HISTORY

H.C.D.G. COLLEGE, NITAIPUKHURI

Volume - VI

2011

# JOURNAL OF

# ITIHAS ADHYAYAN CHAKRA

DEPARTMENT OF HISTORY
H. C. D. G. COLLEGE, NITAIPUKHURI

Rs. 15/-

Journal of Itihas Adhyayan Chakra

*An Annual Publication of the Department of History, H.C.D.G. College, Nitaipukhuri published by Deapartment of History, H.C.D.G. College, Nitaipukhuri, Sivasagar, Assam.*

*All the responsibility for the facts and opinions is entirely that of the author and the Editor or the Editorial Board of the Journal is not responsible for them.*

***Editorial Board***
***Journal Of Itihas Adhyayan Chakra***



ইতিহাস অধ্যয়ন চক্র
বুৰঞ্জী বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
নিতাইপুখুৰী ঃ শিৱসাগৰ (অসম)

মহাবিদ্যালয়ৰ ইতিহাস অধ্যয়ন চক্ৰ অনুষ্ঠানটি গঠন কৰা হৈছিল ২০০৩ চনত ৫ আগষ্ট তাৰিখে ।

ক্ৰৰ উদ্দেশ্য সমূহ ঃ

- ইতিহাস বিষয়টো ছাত্ৰ - ছাত্ৰী আৰু জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তোলাৰ বাবে কেতবোৰ কাৰ্যসূচী হাতত লোৱা ।
- ছাত্ৰ - ছাত্ৰী সকলক উৎসাহিত কৰিব পৰাকৈ বুৰঞ্জী বিষয়ত এতিয়ালৈকে বিশেষ গুৰুত্ব নোপোৱা অথচ প্ৰয়োজনীয় বিষয়বস্তু সম্বলিত এখনি মুখপত্ৰ প্ৰতি বছৰে প্ৰকাশ কৰি উলিওৱা ।
- জিলাখনৰ বিভিন্ন অঞ্চলত সিচঁৰিত হৈ থকা বুৰঞ্জী প্ৰসিদ্ধ স্মৃতি চিহ্ন সমূহৰ লগত ছাত্ৰ - ছাত্ৰীক পৰিচয় কৰাৰ আৰু চাফাই কাৰ্যসূচী হাতত লোৱা ।
- বিভাগীয় কৰ্মশালা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰাৰ ।
- ছাত্ৰ - ছাত্ৰী সকলক লৈ শিক্ষামূলক ভ্ৰমনৰ যোগেদি জ্ঞান অন্বেষনৰ লগতে সিবিলাকৰ লগত পৰিচয় কৰোৱা ।

## Editorial Board

***Chief Adviser***

Mr. A. Borgohain , Principal

***Adviser***

Mr. R. K. Bora
Ex. Head of the Deptt. of History

Mr. S. K. Das
Head of the Deptt. of English

***Faculty Members***

Mr. S. R. Sarmah , HOD
Mr. T. Gogoi
Mr. H. Bhuyan

***Editors***

Miss Adhunika Gogoi
Sri Bondeep Changmai

***Members***

Miss Dibyashree Handique
Miss Jahnu Sarma
Miss Dyotimoyee Borah
Miss Munmee Dutta
Miss Manashie Bezboruah
Miss Sumki Bora
Sri Narendra Taye
Sri Bolindra Bakal




## CONTENTS


সম্পাদকীয় ৬

Forests and Ecological History of Assam : Valuable Contribution to the Historigraphy of Assam - Kishor Goswami ৯

Importance Of Study Of History -Lakhya Pratim Nirmolia ১৪

যোৰহাট - আহোম ৰাজত্বৰ ইতিহাস অধ্যয়নৰ অন্যতম সমল - নয়নমনি বৰুৱা ১৮

ধৰ্মীয় দৃষ্টিকোণেৰে নাহৰ আটি থান - এটি অৱলোকন - শ্ৰী হৰেন ভূঞা ২১

ইতিহাসে গৰকা দিহিং সত্ৰত এভুমুকি - জাহ্নু শৰ্মা ২৪

অসমীয়া সাহিত্যলৈ বুৰঞ্জী সাহিত্যৰ অৱদান - শ্ৰীমতী আধুনীকা গগৈ ২৮

আধুনিক চীনৰ জনক- ডাঃ চান্ ইয়াত-চেন্ - বনদীপ চাংমাই ৩০

আহোম ৰাজত্বৰ সোণোৱালী স্বাক্ষৰ বহন কৰা গৌৰীসাগৰ এক চমু আলোকপাত - শ্ৰীমতী দ্যুতিময়ী বড়া ৩৩

Major General Joseph Warren Stillwell The Unknown Soldier - Siddhartha Pait ৩৫

[illegible]



[illegible]

– [illegible]

সাহিত্যক কোৱা হয় জাতিৰ দাপোণ। এই দাপোণতে প্ৰতিফলিত হয় জাতিটোৰ ঐতিহ্য। বুৰঞ্জী সাহিত্য ইয়াৰ এক অবিচ্ছেদ্য অংগ। অসমৰ চৌদিশে সিঁচৰিত হৈ থকা অগনন ঐতিহাসিক স্মৃতি চিহ্ন সমূহক সজাই পৰাই পোহৰলৈ উলিয়াই অনাৰ লক্ষ্যৰে, ছাত্ৰ-ছাত্ৰী সকলক ইতিহাসৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যৰে হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে শিক্ষক সকলৰ সহযোগত প্ৰতি বছৰে এখন বিভাগীয় মুখপত্ৰ প্ৰকাশ কৰি আহিছে। ইতিহাস বিষয়টোৰ প্ৰয়োজনীয়তা আৰু সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কত এক শুদ্ধ ধাৰণা দিয়াটোও ইয়াৰ অন্যতম উদ্দেশ্য। বিভাগটোৰ তৰফৰ পৰা এই বছৰো মুখপত্ৰখন প্ৰকাশ কৰিবলৈ লোৱা হৈছে। আগ্ৰহী সকলে ইয়াক আকোৱালি ললে ইয়াৰ লগত জড়িত সকল নিশ্চয়কৈ অধিক উৎসাহী হৈ উঠিব।

মুখপত্ৰখনিয়ে পোহৰৰ মুখ দেখাত সৰ্বতোপ্ৰকাৰে সহায় কৰা বিভাগৰ ছাত্ৰ-ছাত্ৰী সকল, শিক্ষক-শিক্ষয়িত্ৰী সকল, মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী গোট,মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু পি.পি. অফচেট্ প্ৰেছৰ স্বত্বাধিকাৰীক আন্তৰিক ধন্যবাদ জনাইছোঁ।

যি সকলৰ লেখনিয়ে মুখপত্ৰখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে, সেই সকলৰ ওচৰত কৃতজ্ঞ হৈ ৰলো।

বিগত সময়ছোৱাত আমাৰ মাজৰ পৰা হেৰাই যোৱা সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিছো।

অসমৰ সাহিত্য সংস্কৃতি জগতখনৰ দুটি উজ্জ্বল জোতিষ্ক ডঃ মামনিৰয়চম গোস্বামী আৰু ডঃ ভূপেন হাজৰিকা দুয়োজনাৰে আশু আৰোগ্য কামনা কৰি সামৰিছো।

সম্পাদনা সমিতিৰ হৈ
বনদীপ চাংমাই
আধুনিকা গগৈ
ইতিহাস বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
নিতাইপুখুৰী



## Forests and Ecological History of Assam : A Valuable Contribution to the Historigraphy of Assam

*Kishor Goswami*
*Deptt. of History,Nowgong College*

History writing in its modern sense developed in Assam from the first quater of the 19th century . The coming of the colonial rule in Assam had marked a sharp departure in the way history was written . In pre - colonial times , the historical sense of the people of Assam had mainly been informed by the *Buranji* . However, post - enlightenment 'scientific history' came to be written in Assam with the advent of the British rule. Hence , the work of Haliram Dhekial Phukan (*Asam Buranji*) is regarded as the entry point of 'modern history' in Assam . From that time to the beginning of the 21st century, the historigraphy of Assam has been influenced by different dimensions and prespectives . In this process , Arupjyoti Saikia's recent work *Foresets and Ecological History of Assam* , 1826-2000 published by the Oxford University Press in 2011 is a refreshingly new entry .

Giving a new dimension to the history of environment in Assam , the book has covered a history of almost hundred and seventy five years. Written in eight chapters , excluding the introductory part , the book is a monumental compilation in its own right.

In recent times deforestation is a common vocabulary in Assam. From intelligentsia to the politicians , from patricians to the plebeians , everyone use the word de-forestation to describe the growing shrinking of for-

ests space in Assam. In public discourse, the peasant society has always been victmized for this process of deforestation, which is more or less informed by the contemporary practices of the peasant society. However, according to Arupjyoti Saikia this may not be always the best way to understand this process. Taking into account the the British colonial intervention in the forests of Assam from the eraly part of the 19th century, Saikia tries to explain the process of de-forestation as key outcome of imperial rule. At the same time not confining himself to the mere changing forests landscape of Assam, and also tries to locate within the larger South Asian scenario.

In contrast to the early Assamese literature, nature, in the contemporary Assamese writing is represented as a site of constant exploitation and rampant abuse. This environmental loss in Assam has increased the conflict between humans and animals over their respective habitat. All these conflicts and the growing involvement of big money in the forest resources hve generated not only public debate but also created a fertile ground for peasant movements in Assam. all these recent debates and movements are historically addressed by Arupjyoti Saikia in his book. In doing so he broadly discussed the management of the jungles,conversion of the forest resources into saleable commodity , and the forest as an entity. Arupjyoti Saikia also shows, from the British colonial period in Assam, how the jungle was converted into forest. He argues that , jungle ,an erstwhile space for wild animals and ghosts, often memorized through folktales,



no more bore a story of unfamiliar and hostile territory. The author also shows how these forests had traversed a long journey from wilderness to an ordered jungle, from petty trade in forest products to brisk business in the international market, and from hunting areas to national parks. According to Saikia, those changes had far-reaching impact in forest management as well as the preception of the forest. In order to explain this phenomenon, Saikia has drawn our attention to the working of the Imperial Forest department and its practice of monopolizing the timber resources of forest. In order to explain this phenomenon, Saikia has drawn our attention to the working of the Imperial Forest department and its practice of monopolizing the timber resources of forest which continued with little modification after independence. This assertion of absolute right of the Forest department had not only converted the forest into a commercial commodity but also alienated the traditional rights of the people over the forest resources.

Writing the *Forests and Ecological History of Assam,* Arupjyoti Saikia has not confined himself to the mere state-centric view of the forest. He also emphasizes the importance of the tea-industry as one of the determining factors for the process of deforestation in Assam. He has shown how the establishment of the tea-industry in Assam and subsequent a Colonial government practice of wasteland grant of the tea-planters had hastened the process of de-forestation.in Assam. He has shown how the establishment of the tea-industry in Assam and subsequent colonial government practice of wasteland grant to tea-planters had

hastened the process of de-forestation. At the same time, from the early part of the 20th century the government began to encourage peasant from East Bengal to settle in the wastelands of Assam for the opening of jute cultivation. All these factors: tea-plantation, jute cultivation and forest conservation programme deprived the indigenous peasants to their access to the natural resources and also restricted the widely practicing shifting cultivation. According to Saikia, this not only changed the landscape permanently but also transformed forever the pattern of relationship of man and nature, and also leading to extensive landscape fragmentation. In this history of contesting interest over forest resources, Saikia draws a parallel between the pre-imperial and imperial periods, and shows that forest management during the pre-colonial time had little to do with a market economy. However, the colonial rule had changed the way natural resources were exploited which had left behind a legacy of social conflicts in the political map of Assam. Illustrating this point, Saikia in his book argues that, over the years, as the peasants lost their cultural right over forest land, the state further pushed them away from these resources for their inability to become cash-crop products. This led to a series of ethnic movements wanting to re-configurate the relationship of communities with natural resources, particulrly their access to the forest lands. By this line of argument, Saikia has attempted to link the present day conflicts, many of which are land and resources based, to their root in the



colonial era.

Writing in a very clear and lucid style, *Forests and Ecological History of Assam*, is an outcome of Arupjyoti Saikia's constant engagement with the social history of Assam. This book is also a great improvement of his earlier publication *Jungles Reserves, Wildlife A History of Forests in Assam* published by the wildlife Welfare Trust of Assam in 2005. Published by the Oxford University Press, the *Forests and Ecological History of Assam, 1826 - 2000* has already generated a great amount of interest among the international academic circle. However, this major contribution to the historigraphy of Assam is still to be critically reviewed in Assam. Going by the recent peasant movements in Assam, as well as State Government's drive for land eviction programme and the popular protest against the big dam issue, this work will defiantly enrich our understanding of the social history and contemporary. conflicting situation in Assam.

Apart from certain minor spelling mistakes, which will I hope definantly be corrected in the next edition, Arupjyoti Saikia has done justice to his subject. He has also used vernacular and non-vernacular sources to the greatest possible extent.

# " IMPORTANCE OF STUDY OF HISTORY "

***Lakhya Pratim Nirmolia***
***Lecturer ,Deptt. of History***
***Kakojan College***

What is History ? Knowing about past is the natural habit of a civilised person . We all of us want to know about our ancestors how they lived in the old days . Who can give us proper information regarding them . It is history . History is the only source which is able to give us definite informtion about our previous generation. Moreover, history also give us information about the economic development , political condition , administrative structure , evolution of urban life , development of science , literature and architecture . History is the barometer to record this progress of mankind . The study of history does not mean just the study of dates and events connected with some kings or dynasties.

History is a Greek word which means enquiry , research , exploration or information . Dionysius of Holicarnassus said that history offers us the quintessence of human experience whose study has universal value. Real history has no limitation . It is beyond the universe. The scope of history in recent times has been so much expanded that politics forms only one of that many branch of historical study. As all ages of history are important in the cosmic process so are all the activities of man which would form in the province of the historian . A prominent historian E.H. Carr said , " History consists of a corpus of ascertainable facts. The facts are available to historian in documents, inscriptions and so on like fish on the fish



monger's slab. The historian collects them , takes them home , and cooks and serves them in whatever style appeals to him . "

Why we should study History ? History is the backbone of mnkind . Behind every civilised nation there has history . The study of history helps in understanding the people , socities, nations and finally the whole humanity gets a sense of identity and belonging .So, history may be regarded as a record of all that has occured within the realm of human consciousness . Yet ,many people including some leading scientists, and statesmen ask , why study history ? How it benefit us ? It does not contribute anything economically . It can not solve the problem of poverty and unemployment. Besides , it creats problem and increased animosity among the people . But this concept is wrong. Because , history is the only subject which help us to learn lession from the past ,present and future . History point out some great mistakes from which created problem in the society and follows the things which promote harmony , peace nd prosperity . So, R.G. Collingwood said ; simply because the rhythm of its changes is likely to repeat itself , similar antecedents leading to similar consequences ; the order to serve as a basis for prognostic judgements , not demonstrable but probable ,laying down on what will happen , but what is likely to happen indicating the points of danger in rhythms now going on ."

The study of history enables a person to apply and improve his reasoning faculty . History while trying to seek the truth tries to reconstruct the rational past. The study of history is no waste of time or luxury , but a

pressing need. A nation that forget history will have no future . That is why , history can be compared with a shop where intellectual merchandise of all kinds are available , and it is upto buy what we need . The study of history is most important and neccessary part of human beings . If we have no knowledge about history then we do not know how to live in a civilised society.

Importance of Study of History : Value of history is increased in the contemporary world. Because history give us the meaning of life , and action and offers a mental discipline which helps us to intelligently meet new problems of life, keeping away emotions and superficialities. History helps us to understand how the world developed into what it is . It makes us know interesting men and women and promotes in us a knowledge of human nature. By studying of history we can learn how to solve the problems that creats in the present day . History holds a mirror upto nature and attempts to interpret the mind and manner of man. The true interpretattion of history is to view it as the record of social , moral and intellectual education of man , which is so essential to dispel darkness.

In the glamour of science and technology of the present day world , one is apt to ignore the importance of history . So, our society is surrounded by black cloud. Under the influence of the science and technology the people of the contemporary world donot try to understand how history presents to us the rich heritage of the past. Now a days people are not able to know that history not only tell us about the right principles of life , but also



warn us through concrete examples about the inevitable distruction of society, if these principles were to be negelected . The spread of Christianity gained greater momentum only offer the Church used history as an instrument of its teaching by showing how nemesis had overtaken the earlier generations by negelecting moral principles . It is the absence of this historical cement that opened the floodgates in India to hostile invansions from different directions, whether land or sea . Empires and kingdoms were shattered to pieces and many advanced cultures and civilizations met their doom by ignoring the laws of history .

History makes man wise and enables him to strengthen his virtues . It promotes in man the power to imagine circumstances and conditions other than his own. History also enlarges the area of individual experience by teaching about human behaviour , about man in relationship to other men , about the interaction of circumstances and conditions in their effect upon individual and social fortunes.

From the above discussion we came to know that history is a very interesting and valuable subject . History not only educates a man , but also trains , his mind . Further , history as commonly understood not only gives us information of the past but also sharpens our intellect to interpret the past, and gives us limitless pleasures by making us know the richness and variety of life, matter of history , " I think it is enormously important ; it gives stability and it gives depth to your thought and to your feelings. " ●

# যোৰহাট - আহোম ৰাজত্বৰ ইতিহাস অধ্যয়নৰ অন্যতম সমল

*শ্ৰী নয়নমনি বৰুৱা*
*প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ*
*ক্ৰেচেন্ট একাডেমী কনিষ্ঠ মহাবিদ্যালয়, যোৰহাট*

যোৰহাট অসমৰ এখন প্ৰসিদ্ধ চহৰ আৰু ৰাজ্যখনৰ শিক্ষা সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ । দুশ বছৰ অতিক্ৰম কৰা এই চহৰ অসমত ছশ বছৰীয়া আহোম ৰাজত্বৰ শেষ ৰাজধানী আছিল । আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহই বৃটিছৰ সহায়ত বিদ্ৰোহী মোৱামৰীয়া সকলৰ হাতৰ পৰা সাম্ৰাজ্য উদ্ধাৰ কৰাৰ লগতে পুনৰ বিদ্ৰোহী সকলৰ আক্ৰমণৰ পৰা হাত সৰাৰ উদ্দেশ্যে, মহামন্ত্ৰী পূৰ্ণনন্দ বুঢ়াগোঁহাইৰ পৰামৰ্শমতে ১৯৭৮ খ্ৰীষ্টাব্দত ৰংপুৰৰ পৰা যোৰহাটলৈ ৰাজধানী স্থানান্তৰ কৰিছিল । গৌৰীনাথ সিংহৰ পাছত ক্ৰমান্বয়ে কমলেশ্বৰ সিংহ, পুৰন্দৰ সিংহ, চন্দ্ৰকান্ত সিংহ আৰু যোগেশ্বৰ সিংহ - এই সকল আহোম স্বৰ্গদেউদেৱে যোৰহাটৰ পৰাই ৰাজত্ব কৰিছিল । এই যোৰহাট নগৰতেই ৬০০ বছৰীয়া আহোম ৰাজত্বৰ বেলিমাৰ গৈছিল আৰু বৃটিছ শাসনৰ আৰম্ভ হৈছিল ।

যোৰহাট - এই চহৰ নামৰ আক্ষৰিক অৰ্থ হৈছে যোৰ পাট থকা দুখন হাট বা বজাৰ । চহৰখনক এনেদৰে নামকৰণ কৰাৰ কাৰণ হৈছে অতীজতে ভোগদৈ নদীৰ পূবে থকা চকীহাট আৰু পশ্চিমে থকা মাছৰহাট নামৰ দুখন হাট। এই দুখন হাট একে ঠাইতে যোৰ পাটি থকাৰ বাবেই এই চহৰৰ নাম যোৰহাট হ'ল । ইয়াৰ পূৰ্বতে এই চহৰৰ নাম দিচৈ বাহৰ আছিল ।

যোৰহাট নগৰৰ ধেমাজিদি বৈ গৈছে ভোগদৈ নদী । এই নদীৰ পুৰণি নাম দিছৈ নৈ । ইতিহাসবিদ সকলৰ মতে, ৰাজধানীৰ কাষত এখন নৈৰ আৱশ্যকতা অনুভৱ কৰি পূৰ্ণনন্দ বুঢ়াগোঁহাই ডাঙৰীয়াই ভোগ দি, দিছৈ নৈ খান্দি আনি, যোৰহাটৰ কাষেদি বোৱাই ব্ৰহ্মপুত্ৰত পেলাই দিছিল । নৈ খান্দোতে ভোগ দিয়াৰ কাৰণে এই নৈৰ নাম ভোগদৈ হ'ল ।

১৭৯৪ খ্ৰীষ্টাব্দৰ পৰা ১৮২৬ খ্ৰীষ্টাব্দলৈকে যোৰহাট আহোম সকলৰ ৰাজধানী হৈ থকা সত্বেও উক্ত সময়ছোৱাত আহোম ৰাজত্ব / ৰাজ্যই সন্মুখীন হোৱা ৰাজনৈতিক অস্থিৰতাৰ বাবেই আহোম স্বৰ্গদেই সকলে এই চহৰত কোনো স্থায়ী কীৰ্তিচিহ্ন নিৰ্মাণ



কৰি থৈ যাব নোৱাৰিলে বুলি কোৱা হয় । অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে ঐতিহাসিক সমলৰ দৃষ্টিকোণৰ পৰা যোৰহাট নগৰ একেবাৰে গুৰুত্বহীন । কাৰণ আহোম ৰাজত্বৰ সময়ছোৱাতেই হওক বা তাৰ পাছৰ পৰ্যায়ত বৃটিছ শাসনৰ সময় ছোৱাতেই হওক যোৰহাট নগৰ বিভিন্ন ঐতিহাসিক আলি, পুখুৰী, মঠ- মন্দিৰ তথা বিভিন্ন অনুষ্ঠানেৰে পৰিপূৰ্ণ । এই সকলোৱে যোৰহাটক ইতিহাস অধ্যয়নৰ বিভিন্ন সমলৰ ভঁৰাললৈ পৰিণত কৰিছে ।

যোৰাহাটৰ ঐতিহাসিক আলি বা ৰাস্তা বা পথ বুলিলে প্ৰধানতঃ বাদুলী বৰফুকনৰ তত্বাৱধানত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত বন্ধোৱা চেউনী আলি, স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত বন্ধোৱা ন-আলি, স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত নিৰ্মিত গড়ৰ পূব অংশ অৰ্থাৎ গড় আলি, স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত নিৰ্মিত ধোদৰ আলি, স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত নিৰ্মিত খৰিকটিয়া আলি, স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত নিৰ্মিত ম'হবন্ধা আলি, স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনতেই কমাৰবন্ধা আলি আদিয়েই উল্লেখযোগ্য । ইয়াৰ উপৰিও মালৌ আলি, বৰপাত্ৰ আলি, নিউভিল ৰ'ড আদিও যোৰহাটৰ ঐতিহাসিক আলি সমূহৰ ভিতৰত অন্যতম ।

আহোম ৰাজত্বৰ সময়ছোৱাত অসমৰ আন ঠাই সমূহৰ দৰেই যোৰহাটতো বিভিন্ন পুখুৰী খন্দোৱা হৈছিল । এই সমূহৰ ভিতৰত স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ দিনত খন্দোৱা ৰাজমাও পুখুৰী (প্ৰকৃত নাম বিষ্ণু সাগৰ), পূৰ্ণনন্দ বুঢ়াগোঁহাইয়ে খন্দোৱা (সম্পূৰ্ণ কৰিছিল ৰুচিনাথ বুঢ়াগোঁহাইয়ে) হাতী গড় পুখুৰী, গৌৰীনাথ সিংহৰ ৰাণীয়ে খন্দোৱা কুৱৰী পুখুৰী, ৰূপ সিং বঙালে খন্দোৱা বুলি কোৱা (এই ক্ষেত্ৰত বিভিন্ন মত দেখিবলৈ পোৱা যায় । বহুতৰ মতে এই পুখুৰী খন্দাইছিল স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ মাতৃ নুমলী কুঁৱৰীয়ে), বঙাল পুখুৰী আদিয়েই প্ৰধান । ইয়াৰ উপৰিও কটকী পুখুৰী, মিঠা পুখুৰী, বৰগোঁহাই পুখুৰী, চোলাধৰা পুখুৰী, বলিয়া গোঁহাই পুখুৰী, বাদুলী পুখুৰী, তামুলী ফুকনৰ পুখুৰী, শেনচোৱা ফুকনৰ পুখুৰী আদি উল্লেখযোগ্য ।

যোৰহাটৰ ঐতিহাসিক মঠ মন্দিৰ বুলিলে পোন প্ৰথমেই নাম লোৱা হয় বুঢ়ী গোঁসানী দেৱালৰ । এই দেৱালৰ বুঢ়ী গোঁসানী বিগ্ৰহ আহোম ৰজা ৰুদ্ৰসিংহই জয়ন্তীয়া ৰজাৰ পৰা লাভ কৰিছিল আৰু ১৪৯৪ খ্ৰীষ্টাব্দত যোৰহাটৰ ৰাজধানী স্থাপনৰ লগতেই এই বিগ্ৰহো যোৰহাটত প্ৰতিষ্ঠা কৰা হয় । এই বুঢ়ী গোঁসানী

দেৱালয়ৰ উপৰিও হাতীগড়ৰ শ্ৰী শ্ৰী শিৱ দেৱালয় ( পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে নিৰ্মাণ কৰোৱা ), গৰখীয়া দলৰ শিৱ মন্দিৰ, বৰভেটি থান, ঢেকীয়াখোৱা , বৰনামঘৰ আদি উল্লেখযোগ্য । এই ঐতিহাসিক আলি, পুখুৰী আৰু মন্দিৰ সমূহৰ উপৰিও যোৰহাটত আহোম স্বৰ্গদেউ পুৰন্দৰ সিংহ আৰু কমলেশ্বৰ সিংহৰ মৈদামো অৱস্থিত । ইয়াৰ উপৰিও পূৰ্ণানন্দ বুঢ়াগোঁহাই আৰু লাচিত বৰফুকনৰ সমাধিস্থলো যোৰহাটতেই অৱস্থিত ।

আহোম ৰাজত্বৰ পাছৰ সময়ছোৱাতো যোৰহাটত বিভিন্ন উল্লেখনীয় অনুষ্ঠান প্ৰতিষ্ঠান আৰু ঘটনা সংঘটিত হয় যি এই চহৰখনক অসমৰ এক ইতিহাসৰ প্ৰসিদ্ধ হোৱাৰ মৰ্যদা প্ৰদান কৰে । ইতিমধ্যে উল্লেখ কৰা বিভিন্ন আলি, পুখুৰী তথা মঠ-মন্দিৰ আৰু মৈদামেৰে যোৰহাটত আহোম ইতিহাস অধ্যয়নৰ এক অন্যতম সমল হিচাপে নিজস্ব অৱদান আগবঢ়াই আহিছে আৰু ই ভৱিষ্যতলৈও অক্ষুন্ন থাকিব যদিহে এই উপাদান সমূহৰ ৰক্ষণাবেক্ষণত গুৰুত্ব আৰোপ কৰা হয় ।

সহায়ক গ্ৰন্থ ঃ ১।" ইতিহাসে সোঁৱৰা ছশটা বছৰ " - সৰ্বানন্দ ৰাজকুমাৰ ।

২।" যোৰহাটৰ বুৰঞ্জী" (প্ৰথম খণ্ড) - ভৈৰৱ চন্দ্ৰ সন্দিকৈ ।

৩।" অসম অভিধান " - শান্তনু কৌশিক বৰুৱা ।

৪।" পৱিত্ৰ অসম " - ডঃ মহেশ্বৰ নেওগ ।



চৰাইদেউৰ মৈদাম



# ধৰ্মীয় দৃষ্টিকোণেৰে নাহৰ আটি থান - এটি অৱলোকন

শ্ৰী হৰেন ভূঞা
সহকাৰী অধ্যাপক,ইতিহাস বিভাগ
এইচ. চি. ডি. জি. কলেজ,নিতাইপুখুৰী

ষষ্ঠদশ শতিকাৰ দ্বিতীয় ভাগৰ পৰা সমগ্ৰ অসমজুৰি প্ৰৱাহিত হবলৈ আৰম্ভ কৰিছিল নৱ বৈষ্ণৱ ধৰ্মই । নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠাপক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱৰ পিছত ই সংহতি - ব্ৰহ্ম , পুৰু , নিকা আৰু কাল এই চাৰিটা ভাগত বিভক্ত হৈছিল । ইয়াৰে কাল সংহতি বৈষ্ণৱ পন্থাক নেতৃত্ব দিছিল নাৰায়ণপুৰ বিষ্ণু বালিকুঞ্চিত ১৪৭৫ শকৰ পোন্ধৰ ব'হাগৰ শুক্লা দশমীত জন্ম গ্ৰহণ কৰা অনিৰুদ্ধদেৱে । এইজন ধৰ্ম গুৰুৱে ধৰ্মীয় আদিপাঠ লৈছিল ভৱানী পুৰৰ গোপাল দেৱৰ বা কালঝৰা সত্ৰত । ধৰ্মীয় শিক্ষা গ্ৰহণ কৰাৰ অন্তত তেওঁ আহোম, কোচ, চুতীয়া, কলিতা, কৈৱৰ্ত বিশেষকৈ মৰাণ আৰু মটক সম্প্ৰদায়ক লৈ এটি নতুন ধৰ্মীয় সম্প্ৰদায় 'মায়ামৰা' সৃষ্টি কৰিছিল ।

নাহৰ আটি থান , মহাপুৰুষ অনিৰুদ্ধদেৱৰ মায়মৰা সম্প্ৰদায়ৰ কাল সংহতিৰ দ্বিতীয়খন ধৰ্মীয় পীঠ । লখিমপৰ জিলাৰ বিহপূৰীয়া নগৰৰ পৰা পূবে প্ৰায় ৭-৮ কিঃ মিঃ দূৰৈত এই নাহৰ আটি থানখন অৱস্থিত । অনিৰুদ্ধদেৱে গুৰু গোপালদেৱৰ গৃহ ত্যাগ কৰি পিতৃ ভিঠা বালিকুঞ্চিত নামঘৰ সাজি প্ৰথমে সত্ৰ প্ৰতিষ্ঠা কৰিছিল । কিন্তু ডফলা সকল (নিচি সম্প্ৰদায়)ৰ অত্যাচাৰৰ পৰা তেওঁ সেই স্থান তাগ কৰিব লগাত পৰিছিল । সেইবাবেই তেওঁ বিহপূৰীয়া পূবলৈ আহি পুনৰ এখন সত্ৰ স্থাপন কৰে । এই ক্ষণটো আছিল ১৫২৮ শক ১৬০৬ খ্ৰীষ্টাব্দ । গুৰুজনাই সুন্দৰকৈ আলি পদূলি কৰাই , পুখুৰী খন্দাই , চাৰি দিশে চাৰিহাটী সাজি , শাৰী শাৰীকৈ নাহৰ গছ ৰুই অতি মনোমোহা কৈ এই সত্ৰখন পাতিছিল । নাহৰ গছৰ শাৰী শাৰী আৱৰণেৰে শোভা বৰ্দ্ধন কৰা বাবে ইয়াক নাৰ আটি থান বোলা হয় । পূবে মৰি ডিক্ৰুং (ডিক্ৰুং ৰ চেবাসুঁতি) পশ্চিমে ধুনাগুৰি বিহপূৰীয়া সংযোগী গড় কাপ্তানি পথ , উত্তৰে চাৰি হাটি , দক্ষিণে অনিৰুদ্ধদেৱ বাঁহগড়া উচ্চতৰ মাধমিক বিদ্যালয়েই আজি নাহৰ আটি থানৰ চাৰিসীমা । থান পৰিচালনা সমিতিৰ মতে এই থানখনৰ সৰ্বমুঠ মাটিকালি ৬৪ বিঘা । অৱশ্যে থান খনৰ পূব দিশে থকা ভূমিৰ কিছু অংশ পূবে প্ৰবাহিত ডিক্ৰুং নদীৰ খহনীয়াত গৈছিল যিখিনি বৰ্ত্তমান কিছুলোকে দখল ভোগ কৰি আছে বুলি জনা যায় ।

বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিবেষ্টিত নাহৰআটি থানখন গড়কাপ্তানি পথৰ পৰা মূল তোৰণেদি কিছু ফাটি আহি মূল নামঘৰ আৰু ইয়াৰ সুন্দৰ পৰিবেশটো প্ৰত্যেক্ষ হয় । গুৰুজনাই খন্দাই থোৱা পুখুৰী , পুখুৰীৰ পাৰে পাৰে ফুলৰ বাগিছা আৰু নতুনকৈ ৰোপণ কৰা ফলৰ গছে পৰিবেশটো সুন্দৰ কৰি ৰাখিছে । মূল নামঘৰটোৰ


উপৰিও আৰু এটা নামঘৰ সজাই লোৱা হৈছে আৰু তাৰ উত্তৰেৰে চাৰি হাটি লৈকে প্ৰকাণ্ড হাবি । মূল তোৰণ পাৰ হৈয়ে ভক্তপ্ৰাণ ৰাইজ ও পৰ্যটকৰ সুবিধাৰ্থে জিৰণী ঘৰ, স্নানাগাৰ সুবিধা ৰখা হৈছে। পবিত্ৰতা আৰু শুদ্ধিৰ বাবে ইয়াতে হাত ভৰি মুখ ধুইহে থানৰ ভিতৰত সোমোৱাটো নিয়ম ।গুৰুজনাই প্ৰতিষ্ঠা কৰা নামঘৰটোত নাম প্ৰসঙ্গ হোৱাৰ উপৰিও চাকি বন্তি দিয়া হয় । অৱশ্যে ইয়াৰ এই মূহুৰ্তত নিৰ্মাণ কাৰ্য চলি আছে। বছৰৰ প্ৰতি মাহৰ প্ৰতি দিনাই উত্তৰা দক্ষিণাকৈ থকা নামঘৰতেহে আচলতে নাম-কীৰ্ত্তন কৰা হয় । পূৱা নামঘৰীয়াই নাম প্ৰসংগ ,আবেলি স্থানীয় গোপীনী সকলে নাম লোৱা আৰু সন্ধিয়া স্থানীয় বয়োজ্যেষ্ঠ সকলে নাম প্ৰসঙ্গ কৰে । কিন্তু ভাদ মাহত এই নামৰ গতিধাৰা অধিক সাবলীল হয়। ভক্ত সকলৰ বিশেষ উপস্থিতিত নাম প্ৰসংগই অঞ্চলটোক এক গুৰু গম্ভীৰ পৰিবেশলৈ পৰিৱৰ্ত্তন কৰি তোলে ।নাহৰ আটি থানৰ মাহাত্ম্য সৰ্বজনবিদিত ।জনশ্ৰুতি আছে যে, ডিক্ৰুংৰ বানে প্ৰতি বছৰে ক্ষতি সাধন কৰাৰ বাবে এবাৰ চতুৰ্ভুজ গোঁসাই প্ৰভূৱে থুৰীয়া তামোল দি সেৱা আগবঢ়াই ইয়াৰ পবিত্ৰাণ বিচৰাত ডিক্ৰুং নদীয়ে গতি সলাই বৰ্তমান বিহপুৰীয়া নগৰৰ নিচেই কাষেদি বৈবলৈ ধৰে । এই কথাৰ প্ৰমাণ হিচাবে আজিও থানৰ পূব দিশটো দেখা যায় যাক মৰি ডিক্ৰুং বোলে আৰু নাতি দূৰৈৰ অঞ্চলটো মৰনৈ বুলি কয় । স্থানীয় লোসকলে বিশ্বাস কৰে যে পবিত্ৰ অন্তৰে যি অভিপ্ৰায়েৰে ইয়াত সেৱা ধৰে তেনেলোকৰ উদ্দেশ্যও সিদ্ধি হয় ।থানৰ অহিত চিন্তা ,অপকাৰ কৰা সকলৰ বিভিন্ন অপায় - অমংগল ও নাজল নাথল অৱস্থা হয় বুলি ও তেওঁলোকে বিশ্বাস কৰে আৰু তেনে উদাহৰণ তেওঁলোকে প্ৰত্যেক্ষ কৰিছে ।

অনিৰুদ্ধ দেৱৰ সাহিত্য ও ধৰ্মীয় কীৰ্তি এই নাহৰ আটি থানৰ সম্বল ।গুৰু জনাই নাহৰ আটি থান থাকোতেই পঞ্চমস্কন্ধ ভাগৱতৰ ৯৫০ টা পদ অসমীয়ালৈ অনুবাদ কৰে আৰু চতুৰ্থস্কন্ধ ভাগৱত ২৫ ৰ পৰা ৩১ অধ্যায়লৈকে ডাঙি 'পুৰঞ্জয় উপাখ্যান' ৰচনা কৰে । ভাগৱত ,পুৰাণ, গীতা ,উপনিষদ আদি শাস্ত্ৰৰ মূল তত্ব সংগ্ৰহ কৰি মহাপুৰুষ মাধৱদেৱৰ নামঘোষাৰ অনুকৰণত ৫০৮টা ঘোষাৰ 'ভক্তি মংগল ঘোষা' আদি বোৰ আছিল অনৰুিদ্ধ দেৱৰ অনুপম সৃষ্টি । 'ভক্তি মংগল ঘোষা' খনে মায়ামৰা বৈষ্ণৱ প্ৰাণ ৰাইজক এনেদৰেই মোহিত কৰিছিল যে ই শেখত সকলৰ মূল ধৰ্ম শাস্ত্ৰৰ ঠাই পালে । দুটা টোটয় ,দুটি ভটিমা ,দুটি ঝুমুৰা, ১৮২ টি গীতৰ এখন গীতৰ শাস্ত্ৰৰ উপৰিও কথা আৰু শ্লোকত এখন অজান শাস্ত্ৰ গুৰুজনাই ৰচনা কৰে এই থানত থকাৰে সময়তেই ।গুৰুজনাই মুঠতে ইয়াত থকা সময়ছোৱাত পাঁচখন গ্ৰন্থ ৰচনা কৰিছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে তেওঁ এই ধৰ্মীয় নতুন ধাৰা প্ৰৱৰ্তনৰ আগলৈকে বসবাস কৰা কছাৰী , চুতীয়া ,লালুং, নদীয়াল , আহোম , কোঁচ , কলিতা আদি লোক



সকলে নিজ নিজ ধৰ্মত বিশ্বাস কৰিছিল । কিন্তু অনৰুিদ্ধদেৱৰ প্ৰৱৰ্ত্তিত ভক্তি ধৰ্মৰ বিষ্ণুবাদী কেৱল এজন ঈশ্বৰৰ উপাসনাৰ শিক্ষা দিয়ে । জাতি বৈষম্যহীন এখন সমাজ প্ৰতিষ্ঠাৰ কৰে আনকি ঢেলী দৰ্জ্জী নামৰ এজন মুছলমানক ধ্যানপতি নাম দি আহোম সম্প্ৰদায়ৰ অন্তভূৰ্ক্ত কৰে । এনেবোৰ অৱদানৰ বাবে অনৰুিদ্ধদেৱ জনপ্ৰিয় হৈ পৰিছিল আৰু নাহৰ আটি থান বিখ্যাত হৈ পৰিছিল ।মায়ামৰা সম্প্ৰদায়ৰ এই ধৰ্মীয়পীঠ খন আজি কেৱল এখন ধৰ্মীয় স্থানেই নহয় ই পৰ্য্যটন থলী লৈও পৰ্য্যবেসিত হৈছে । অসমৰ বিভিন্ন স্থানৰ পৰা পৰ্য্যটক আৰু ভক্তপ্ৰাণ লোকৰ ইয়ালৈ আগমণ ঘটে। বিশেষকৈ মাঘৰ পহিলা তাৰিখৰ পৰা বহাগলৈকে এই সময়ছোৱাত নেপাল , ভূটান আদি বহিৰাজ আৰু ৰাজস্থান, অৰুণাচল , কোচবিহাৰ আদি ভাৰতৰ অন্যান্য স্থানৰ পৰাও পৰ্যটক এই থানলৈ আগমন ঘটে। পৰ্য্যাপ্ত সুবিধা নাথাকিলেও থান পৰিচালনা সমিতি এই তীৰ্থযাত্ৰী আৰু পৰ্য্যটক সকলক পাৰ্য্যমানে আপ্যায়নৰ প্ৰৱন্ধ কৰাটো পৰিলক্ষিত হয়। চৰকাৰৰ যথোচিত গুৰুত্ব পালে নাহৰ আটি থানে এটা লাভ দায়ক পৰ্যটন কেন্দ্ৰ হিচাবে গঢ়ি উঠাৰ পূৰ্ণ সম্ভাৱনা আছে আৰু ধৰ্মীয় দিশৰ বিষয় বস্তু আৰু বেছি পোহৰলৈ আহিব । মোৱামৰীয়া সম্প্ৰদায় আৰু ধৰ্মৰ পিতৃপুৰুষ এইজনা গুৰুৰ তিৰোভাৱ ঘটে নাহৰ আটি থানতেই ১৫৪৮ শকৰ বছচ্ছ খ্ৰীঃৰ ৭৩ বছৰ বয়সত ।

সহায়লোৱা গ্ৰন্থ ঃ
১। মায়ামৰা সমাজ সংস্কৃতিৰ ৰূপৰেখা - শ্ৰী সুশীল কুমাৰ গগৈ , ড০ সৃষ্টিধৰ দত্ত
২। বৈষ্ণৱবাদৰ পৰা মায়ামৰা সত্ৰলৈ - ড০ অমলেণ্ডু গুহ



নাহৰআটি থানৰ বাটচ'ৰা



নাহৰআটি থানৰ নামঘৰ

উপৰিও আৰু এটা নামঘৰ সজাই লোৱা হৈছে আৰু তাৰ উত্তৰেৰে চাৰি হাটি লৈকে প্ৰকাণ্ড হাবি। মূল তোৰণ পাৰ হৈয়ে ভক্তপ্ৰাণ ৰাইজ ও পৰ্যটকৰ সুবিধাৰ্থে জিৰণী ঘৰ, স্নানাগাৰ সুবিধা ৰখা হৈছে। পবিত্ৰতা আৰু শুদ্ধিৰ বাবে ইয়াতে হাত ভৰি মুখ ধুইহে থানৰ ভিতৰত সোমোৱাটো নিয়ম। গুৰুজনাই প্ৰতিষ্ঠা কৰা নামঘৰটোত নাম প্ৰসঙ্গ হোৱাৰ উপৰিও চাকি বন্তি দিয়া হয়। অৱশ্যে ইয়াৰ এই মূহুৰ্তত নিৰ্মাণ কাৰ্য চলি আছে। বছৰৰ প্ৰতি মাহৰ প্ৰতি দিনাই উত্তৰা দক্ষিণাকৈ থকা নামঘৰতেহে আচলতে নাম-কীৰ্ত্তন কৰা হয়। পূৰা নামঘৰীয়াই নাম প্ৰসংগ, আবেলি স্থানীয় গোপীনী সকলে নাম লোৱা আৰু সন্ধিয়া স্থানীয় বয়োজ্যেষ্ঠ সকলে নাম প্ৰসঙ্গ কৰে। কিন্তু ভাদ মাহত এই নামৰ গতিধাৰা অধিক সাবলীল হয়। ভক্ত সকলৰ বিশেষ উপস্থিতিত নাম প্ৰসংগই অঞ্চলটোক এক গুৰু গম্ভীৰ পৰিবেশলৈ পৰিৱৰ্ত্তন কৰি তোলে। নাহৰ আটি থানৰ মাহাত্ম্য সৰ্বজনবিদিত। জনশ্ৰুতি আছে যে, ডিব্ৰুংৰ বানে প্ৰতি বছৰে ক্ষতি সাধন কৰাৰ বাবে এবাৰ চতুৰ্ভুজ গোঁসাই প্ৰভূৱে থুৰীয়া তামোল দি সেৰা আগবঢ়াই ইয়াৰ পৰিত্ৰাণ বিচৰাত ডিব্ৰুং নদীয়ে গতি সলাই বৰ্তমান বিহুপুৰীয়া নগৰৰ নিচেই কাষেদি বৈবলৈ ধৰে। এই কথাৰ প্ৰমাণ হিচাবে আজিও থানৰ পূব দিশটো দেখা যায় যাক মৰি ডিব্ৰুং বোলে আৰু নাতি দূৰৈৰ অঞ্চলটো মৰনৈ বুলি কয়। স্থানীয় লোসকলে বিশ্বাস কৰে যে পবিত্ৰ অন্তৰে যি অভিপ্ৰায়েৰে ইয়াত সেৰা ধৰে তেনেলোকৰ উদ্দেশ্যও সিদ্ধি হয়। থানৰ অহিত চিন্তা, অপকাৰ কৰা সকলৰ বিভিন্ন অপায় - অমংগল ও নাজল নাথল অৱস্থা হয় বুলি ও তেওঁলোকে বিশ্বাস কৰে আৰু তেনে উদাহৰণ তেওঁলোকে প্ৰত্যেক্ষ কৰিছে।

অনিৰুদ্ধ দেৱৰ সাহিত্য ও ধৰ্মীয় কীৰ্তি এই নাহৰ আটি থানৰ সম্বল। গুৰু জনাই নাহৰ আটি থান থাকোতেই পঞ্চমস্কন্ধ ভাগৱতৰ ৯৫০ টা পদ অসমীয়ালৈ অনুবাদ কৰে আৰু চতুৰ্থস্কন্ধ ভাগৱত ২৫ ৰ পৰা ৩১ অধ্যায়লৈকে ডাঙি 'পুৰঞ্জয় উপাখান' ৰচনা কৰে। ভাগৱত, পুৰাণ, গীতা, উপনিষদ আদি শাস্ত্ৰৰ মূল তত্ত্ব সংগ্ৰহ কৰি মহাপুৰুষ মাধৱদেৱৰ নামঘোষাৰ অনুকৰণত ৫০৮টা ঘোষাৰ 'ভক্তি মংগল ঘোষা' আদি বোৰ আছিল অনৰিুদ্ধ দেৱৰ অনুপম সৃষ্টি। 'ভক্তি মংগল ঘোষা' খনে মায়ামৰা বৈষ্ণৱ প্ৰাণ ৰাইজক এনেদৰেই মোহিত কৰিছিল যে ই শেখত সকলৰ মূল ধৰ্ম শাস্ত্ৰৰ ঠাই পালে। দুটা টোটয়, দুটি ভটিমা, দুটি ঝুমুৰা, ১৮২ টি গীতৰ এখন গীতৰ শাস্ত্ৰৰ উপৰিও কথা আৰু শ্লোকত এখন অজান শাস্ত্ৰ গুৰুজনাই ৰচনা কৰে এই থানত থকাৰে সময়তেই। গুৰুজনাই মুঠতে ইয়াত থকা সময়ছোৱাত পাঁচখন গ্ৰন্থ ৰচনা কৰিছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে তেওঁ এই ধৰ্মীয় নতুন ধাৰা প্ৰৱৰ্তনৰ আগলৈকে বসবাস কৰা কছাৰী, চুতীয়া, লালুং, নদীয়াল, আহোম, কোঁচ, কলিতা আদি লোক




সকলে নিজ নিজ ধৰ্মত বিশ্বাস কৰিছিল। কিন্তু অনৰিুদ্ধদেৱৰ প্ৰৱৰ্ত্তিত ভক্তি ধৰ্মৰ বিষ্ণুবাদী কেৱল এজন ঈশ্বৰৰ উপাসনাৰ শিক্ষা দিয়ে। জাতি বৈষম্যহীন এনে সমাজ প্ৰতিষ্ঠাৰ কৰে আনকি ঢেলী দৰ্জ্জী নামৰ এজন মুছলমানক ধ্যানপতি নাম দি আহোম সম্প্ৰদায়ৰ অন্তভূৰ্ক্ত কৰে। এনেবোৰ অৱদানৰ বাবে অনৰিুদ্ধদেৱ জনপ্ৰিয় হৈ পৰিছিল আৰু নাহৰ আটি থান বিখ্যাত হৈ পৰিছিল। মায়ামৰা সম্প্ৰদায়ৰ এই ধৰ্মীয়পীঠ খন আজি কেৱল এখন ধৰ্মীয় স্থানেই নহয় ই পৰ্য্যটন থলী লৈও পৰ্য্যবেসিত হৈছে। অসমৰ বিভিন্ন স্থানৰ পৰা পৰ্য্যটক আৰু ভক্তপ্ৰাণ লোকৰ ইয়ালৈ আগমণ ঘটে। বিশেষকৈ মাঘৰ পহিলা তাৰিখৰ পৰা বহাগলৈকে এই সময়ছোৱাত নেপাল, ভূটান আদি বহি ৰাজ আৰু ৰাজস্থান, অৰুণাচল, কোচবিহাৰ আদি ভাৰতৰ অন্যান্য স্থানৰ পৰাও পৰ্য্যটক এই থানলৈ আগমন ঘটে। পৰ্য্যাপ্ত সুবিধা নাথাকিলেও থান পৰিচালনা সমিতি এই তীৰ্থযাত্ৰী আৰু পৰ্য্যটক সকলক পাৰ্য্যমানে আপ্যায়নৰ প্ৰৱন্ধ কৰাটো পৰিলক্ষিত হয়। চৰকাৰৰ যথোচিত গুৰুত্ব পালে নাহৰ আটি থানে এটা লাভ দায়ক পৰ্য্যটন কেন্দ্ৰ হিচাবে গঢ়ি উঠাৰ পূৰ্ণ সম্ভাৱনা আছে আৰু ধৰ্মীয় দিশৰ বিষয় বস্তু আৰু বেছি পোহৰলৈ আহিব। মোৱামৰীয়া সম্প্ৰদায় আৰু ধৰ্মৰ পিতৃপুৰুষ এইজনা গুৰুৰ তিৰোভাৱ ঘটে নাহৰ আটি থানতেই ১৫৪৮ শকৰ ৰছচ্ছ খ্ৰীঃৰ ৭৩ বছৰ বয়সত।


সহায়লোৱা গ্ৰন্থ ঃ

১। মায়ামৰা সমাজ সংস্কৃতিৰ ৰূপৰেখা - শ্ৰী সুশীল কুমাৰ গগৈ, ড০ সৃষ্টিধৰ দত্ত

২। বৈষ্ণৱবাদৰ পৰা মায়ামৰা সত্ৰলৈ - ড০ অমলেন্দু গুহ



নাহৰআটি থানৰ বাটচ'ৰা



নাহৰআটি থানৰ নামঘৰ

# ইতিহাসে গৰকা দিহিং সত্ৰত এভূমুকি

*জাহ্নু শৰ্মা*
*স্নাতক দ্বিতীয় বৰ্ষ*

সত্ৰ ভাৰতৰ অতি প্ৰাচীন সাধনাৰ অনুষ্ঠান। বেদ-ব্ৰাহ্মণ, গ্ৰন্থ, উপনিষদ, মহাভাৰত, ভাগৱত পুৰাণ আদি পুৰণি গ্ৰন্থত 'সত্ৰ'ৰ উল্লেখ পোৱা যায়। বৈদিক যুগৰ পৰা পুৰাণৰ সময়লৈ আৰ্য তাপস ঋষি মুনিসকলে বৰ্গপ্ৰাপ্তি বা পৰমতত্ব লাভ কৰিবলৈ অনুষ্ঠিত কৰা যজ্ঞাদিকে 'সত্ৰ' বোলা হৈছিল।

হেমকোষত 'সত্ৰ' শব্দৰ অৰ্থ সৎ, ধাৰ্মিক, লোক + ত্ৰৈ, উদ্ধাৰ কৰ, সন্ত সকলক ত্ৰাণ কৰে, এতেকে গোঁসাই ভকতৰ নিবাসৰ ঠাই মহন্ত সকলৰ ঘৰ বুলি উল্লেখ কৰা হৈছে।

অসমৰ সত্ৰ বিলাক ভাৰতৰ বৈষ্ণৱ ধৰ্ম এটা আপুৰুগীয়া সম্পদ। ভাৰতৰ ধৰ্ম আৰু সমাজৰ বৰ্ণিল ক্ষেত্ৰখনত ই এটা তুলনাবিহীন ব্যৱস্থা। অসমৰ ধৰ্ম প্ৰচাৰক সকলৰ মৌলিক উদ্ভাৱনা। অসমৰ বৈষ্ণৱ সত্ৰ জনগণৰ ধৰ্মশাস্ত্ৰ গঠন - শ্ৰৱন, কীৰ্ত্তন লেখন - চৰ্চনৰ কেন্দ্ৰথল, জনগণৰ মানসিক, নৈতিক, আধ্যাত্মিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰ, ধৰ্ম-সাহিত্য, নৃত্য-গীত - বাদ্য, নাট - ভাওনা - চৰ্চা প্ৰদৰ্শনৰ কেন্দ্ৰ আৰু চাৰু - কাৰু কলাৰ শিল্প কেন্দ্ৰ আছিল।

তলত দিহিং সত্ৰৰ বিষয়ে চমু অৱলোকন দাঙি ধৰা হ'ল -

ডিব্ৰুগড় জিলাৰ অন্তৰ্গত বুঢ়ীসুতী কৈৱৰ্তৰ গাৱৰো এক নিজা বৈশিষ্ট্য আছে। প্ৰথম অৱস্থাত এই গাঁওখন গছ-লতিকাৰে পৰিপূৰ্ণ হোৱা লগতে বহু হিংস্ৰ জীৱ - জন্তু আশ্ৰমস্থল আছিল। কিন্তু, পিছলৈ ঠাইখণ্ড মুকলি কৰি ইয়াতে গঢ়ি উঠে 'দিহিং সত্ৰ'। সত্ৰ খনৰ কাষেৰে দিহিং নৈ বৈ যোৱা বাবে হয়তো ইয়াৰ নাম হয় দিহিং সত্ৰ। এই সত্ৰ খন ১২০ পুৰা মাটিৰে পৰিবেষ্টিত হোৱা লগতে চাৰিফালে গড় বান্ধি থোৱা আচে। দিহিং সত্ৰ খনৰ বিষয়ে বিস্তৃতৰ ৰূপত জনাৰ আগতে, সেই সময়ৰ অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ পন্থাগত বিভাজন প্ৰক্ৰিয়ালৈ উভতি যাব লাগিব।

১৫৬৮ খ্ৰীষ্টাব্দত শংকৰদেৱৰ পৰলোকগামী পিছৰে পৰা নৱ-বৈষ্ণৱ ধৰ্মৰ পন্থাগত বিভাজন প্ৰক্ৰিয়া আৰম্ভ হৈছিল, যদিও শংকৰদেৱে তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱক যোগ্য উত্তৰাধিকাৰী হিচাপে মনোনীত কৰিছিল, কিন্তু মাধৱদেৱৰ সম-সাময়িক দামোদৰদেৱেও নিজাকে বৈষ্ণৱ ধৰ্মৰ এটা ভাগ সৃষ্টি কৰিলে। এইদৰে শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্ত্তিত নৱ-বৈষ্ণৱ ধৰ্ম চাৰিটা উপ ভাগেৰে জনাজাত হয়। সেইয়া হৈছে - ব্ৰহ্ম সংহতি, কাল সংহতি, পুৰুষ সংহতি আৰু নিকা সংহতি ইয়াৰে কাল সংহতিও অন্যতম। এই সংহতি এগৰাকী বৈষ্ণৱ গুৰু ভাৱনী পুৰীয়া গোপাল আতাই কালঝাৰ নাৰ ঠাইত সত্ৰপতি ধৰ্ম প্ৰচাৰ কৰিছিল। ইয়াতে উল্লেখ্য যে সংহতিৰ বিভাজনৰ পৰৱৰ্ত্তী পৰ্যায়ত অসমত সত্ৰানুষ্ঠানৰ বিস্তাৰ যুগ আৰম্ভ হয়, যদিও আহোম স্বৰ্গদেউ সকলৰ অত্যাচাৰত উজনি অসমত সত্ৰানুষ্ঠান সমূহ গঢ় লৈ উঠিব পৰা নাছিল, কিন্তু পিছলৈ স্বৰ্গদেউ প্ৰতাপ সিংহ, জয়ধ্বজ সিংহৰ প্ৰৱল পৃষ্টপোষকতাত উজনি অসমতো ভালেকেইখন সত্ৰ স্থাপিত হয়। স্বৰ্গদেউ শিৱ সিংহৰ পৃষ্টপোষকতাত প্ৰাণ পাই উঠা এনে এখন বিখ্যাত সত্ৰই আছিল দিহিং সত্ৰ। আহোম শাসনৰ শেষ পৰ্যায়ত হোৱা মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ লগত এই সত্ৰৰ ভালেমান ঘটনা জড়িত হৈ আছে।

মায়ামৰা সত্ৰ প্ৰতিষ্ঠাপক অনিৰুদ্ধদেৱৰ সমসাময়িক আছিল যদুমণি আতা। এওঁৰেই উত্তৰাধিকাৰী কৃষ্ণকান্ত আৰু ৰতি কান্তই ব্ৰহ্মপুত্ৰই উজাই আহি মাৰধোৱা যান নামৰ এটা পুখুৰী পাৰত আশ্ৰয় লয়। তাৰ পৰাই দিহিঙৰ অটব্য অৰণ্যত প্ৰবেশ কৰি স্থানীয় লোক আৰু ছকুৰি ভকতৰ সহযোগত সত্ৰ প্ৰতিষ্ঠাৰ কামত লাগে আৰু সনাতন দেৱৰ সময়ত এই সত্ৰই পূৰ্ণতা লাভ কৰে।

জানিব পৰা মতে, আহোম ৰজা শিৱ সিংহই সনাতন দেৱক শদিয়াত বলি দিবলৈ আদেশ দিছিল। ৰাজাজ্ঞা অনুসৰি তেওঁক বলি দিব অনা সময়ত তেওঁ ক্ষুধা অনুভৱ কৰে। ফলস্বৰূপে, তিনিওধান মাৰি নিজে তৰুটো মূৰত লৈ বহি পৰে আৰু অন্তৰ্ধ্যান হয়। ইয়াৰ প্ৰমাণ চাবলৈ ৰজাই সকলো সত্ৰাধিকাৰকে ৰাজদৰবাৰলৈ মাতি পঠিয়াই, কিন্তু দিহিং সত্ৰ সত্ৰাধিকাৰ আহি পোৱাত যথেষ্ট পলম হয়। ইয়াৰ কাৰণ সোধাত তেওঁ কয় যে, তেওঁ মুখ ধোওতে প্ৰায় এঘন্টা সময় লয়। ঘটনা আকস্মিকতাত ৰজাই প্ৰতিজন সত্ৰাধিকাৰকে মুখ ধুবলৈ দিয়াত তেওঁলোকৰ মুখৰ পৰা বৰ্জনীয় বস্তু ওলাই আহে, কিন্তু, দিহিং সত্ৰ সত্ৰাধিকাৰ মুখৰ পৰা কেৱল বৰ্জনীয় পানীহে ওলাই আহে। ইয়াতে ৰজা অভিভূত হৈ তেওঁক চিকণৰো চিকণ গোঁসাই নাম দিয়ে। আনহাতে, সত্ৰাধিকাৰ প্ৰভু মহত্ব চিন স্বৰূপে স্বৰ্গদেউ শিৱ সিংহই দিহিং সত্ৰ প্ৰতিষ্ঠাৰ বাবে ১২০ পুৰা একৰ মাটি দান কৰে, লগতে মেটেকা, চাৰিং, গোলাঘাটৰ নগুৱা, লক্ষিমপুৰ জিলাৰ উত্তৰ পাৰত ১২০ পুৰা মাটি, শুকুলা হাতী আৰু তামৰ ফলি দান কৰে।

মানৰ ভয়ংকৰ আক্ৰমণৰ সময়ত এই সত্ৰ সত্ৰাধিকাৰ আছিল ব্ৰজৰঞ্জন

দেৱ । কিন্তু, মানৱ অ্যতাচাৰৰ পৰা নিজকে ৰক্ষা কৰিবলৈ তেওঁ গোলাঘাট জিলাৰ অনতৰ্গত নগুৱাত সত্ৰ পাতে । অন্যহাতে, মানৱ অত্যাচাৰ শাম কটাত সত্ৰাধিকাৰ প্ৰভুৰ কোনো শুংসূত্ৰ নাপাই তেওঁ অনুগামী সকলে ইচ্ছা মৃত্যু হ'ল বুলি ধৰি লয় । সেই অনুসৰি মাঘ মাহৰ কৃষ্ণা একাদশী তিথিত তেওঁ শ্ৰাদ্ধ পাতে । এই সকলোবোৰ ঘটনা আতিগুৰি জানি এক অন্যৰূপলৈ ব্ৰজৰঞ্জনদেৱ দিহিং সত্ৰলৈ আহে আৰু ভকত সৰক আশ্বাস দি এই তিথি প্ৰতিবছৰে পালন কৰিবলৈ কৈ অন্তৰ্ধান হয় । ফলস্বৰূপে, এই তিতিতেই প্ৰতিবছৰে তেওঁক স্মৰণ কৰা হয় । অসমৰ মনোবাঞ্ছা পূৰণৰ হকে আৰ্শীবাদ লয় । বৰ্তমান এই দিহিং সত্ৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী মাধৱ চন্দ্ৰ দেৱ গোস্বামী ।(বসতি নগুৱা সত্ৰ) ।

এই সত্ৰখন চাৰিকোণীয়া পোৱা ইটাৰে নিৰ্মাণ কৰা হৈছিল । ইয়াৰ ভিতৰত চাৰিচুকীয়া পদুম ফুলৰ আকৃতি এখন আসন আছে । সত্ৰখনৰ কাষতে তুলসী গছৰ বৃহৎ খুটা ৮টা পোৱা গৈছে । আৰু ইয়াক খুটা পৰা বিল নামাৰে নামাকৰণ কৰা হৈছে । ইয়াৰ উপৰিও সাজ ধোৱা পুখুৰী, মিঠা পুখুৰী, পেটু ধোৱা পুখুৰী, ফাকোৱা দৌল ইত্যাদি দেখিবলৈ পোৱা যায় । অৱশ্যে ১৯৫০ চনৰ ভূমিকম্পৰ সময়ত এই সত্ৰখনৰ কিছু নিঃশেষ হৈ যায় ।

দিহিং সত্ৰৰ কিছু নিয়মাৱলী ঃ

১। সাভা (সকামত) যিখিনি দ্ৰব্য লাগে কেঁচা হোৱাটো প্ৰয়োজনীয় ।
২। মাজত শুকুলা পিঠা আৱশ্যকীয় ।
৩। প্ৰতিজন সত্ৰাধিকাকৰে তিথি পতা হয় ।
৪। ৰাজহ তুলিব বাবে সত্ৰাধিকাৰে এজন বিষয়া নিযুক্তি দিয়ে, তেওঁক ভূএগ্ৰা বোলা হয় ।
৫। ১২ খন গাঁও ভিতৰত এজন বৰাক নিযুক্তি দিয়া হয় । তেওঁ মূখ্য কাম হৈছে নাম কথা বিলোৱা ।
৬। মুক্তিয়াৰ (হিচাপ পত্ৰ কৰোতা) নামৰ এজন বিষয়াক নিযুক্তি দিয়ে ।
৭। থানঘৰীয়া ।
৮। পহৰাদাৰী ব্যৱস্থা ।


ইয়াৰ উপৰিও সতোলা, কাকতি, বুজনদাৰ ইত্যাদি পোৱা যায় । গোঁসাই লগত স্থূল আতা নামৰ এজন বিষয়া থাকে আৰু তেওঁ সকলোবোৰ কামৰ চোৱাচিতা কৰে । সত্ৰ সত্ৰাধিকাৰ সকলৰ স্বৰচিত গীত পুথিও পোৱা যায় । ইয়াৰ



মমাংকিনী বুলি কোৱা হয় ।

অ' ৰে মন,
চিন্তা সদাই হৰি চৰণ ।
গুৰুহে কৰ্তা বিনে নাহি সত্ৰা
গুৰুহে অমূল্য সেৱা ।।
আমি অজ্ঞ নাজানো ভজনৰ
কিমতে কৰিবো সেৱা ।
কি ৰূপে সংসাৰ লভিবো উদ্ধাৰৰ
অ' গুৰুহে পৰম ধন ।।
অ' জগতৰ গুৰু তুমি কল্পতৰু
তুমিহে ত্ৰৈলোক্য হাৰ ।
বহুতো নন্দনৰ নিৰ্মল চন্দ্ৰ দিনহিন
অ' কৰা ভৱ সিন্ধুপাৰ ।।

বিঃ দ্ৰঃ দিহিং সত্ৰ বিষয়ে কোনো স্বলিপি নোপোৱাত মন্দাংকিনী গীতৰ কথা ভাগ গদ্য আকাৰত লিখা হৈছে ।



আহোম ৰাজত্ব কালৰ কৃৰ্তীচিহ্ন (গড়গাওঁৰ কাৰেংঘৰ)

# অসমীয়া সাহিত্যলৈ বুৰঞ্জী সাহিত্যৰ অৱদান

শ্ৰীমতী আধুনীকা গগৈ
বুৰঞ্জী বিভাগ
স্নাতক দ্বিতীয় বাৰ্ষিক

সাহিত্য হ'ল এটা জাতিৰ মেৰুদণ্ড।সাহিত্যৰ অবিহনে কোনো এটা জাতি, ভাষা-সংস্কৃতি জীয়াই থাকি নোৱাৰে। অসমীয়া সাহিত্য ভঁৰাল চহকী কৰা বুৰঞ্জী পুথি সমূহো সাহিত্যৰ এক অনবদ্য সম্পদ ।

অসমত বুৰঞ্জী লিখা আৰম্ভ হৈছিল আহোম সকলৰ ৰাজত্ব কালৰ পৰাহে, কিয়নো ত্ৰয়োদশ শতিকাত অসমলৈ আহোম ৰজা চুকাফাই বুৰঞ্জী লিখাৰ প্ৰথা প্ৰথমে আৰম্ভ কৰিছিল। আদিতে এই বুৰঞ্জী সমূহ টাই (আহোম) ভাষাত লিখা হৈছিল যদিও প্ৰায় সপ্তদশ শতাব্দীৰ পৰা বুৰঞ্জী সমূহ অসমীয়া ভাষাত প্ৰচলন কৰা হয়।'বুৰঞ্জী' শব্দটো মূলতে হৈছে টাই-চীন ভাষাৰ শব্দ । এই শব্দটোৰ বুৎপত্তিগত অৰ্থ কেইবাজনো পণ্ডিতে দাঙি ধৰিছে। ড০ সূৰ্য কুমাৰ ভূঞাই বুৰঞ্জী মানে 'মূৰ্খ শিক্ষাৰ ভঁৰাল' বুলি অভিহিত কৰিছে আৰু ভাষাবিদ ড০ গ্ৰীয়েছনেও উক্ত অৰ্থকে দোহাৰিছে । তাৰোপৰি হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোঁহাঞি বৰুৱা , গোলাপ চন্দ্ৰ বৰুৱা প্ৰমূখ্যে কেইবাজনো পণ্ডিতে বুৰঞ্জী শব্দৰ অৰ্থ বিচাৰে একেটা মূলৰে ওচ চাপিছে।

যি কি নহওঁক একোটা সময়ৰ ৰাজনৈতিক , সামাজিক , অৰ্থনৈতিক , সা সাময়িক, ধৰ্মীয় কেতবোৰ তথ্য বুৰঞ্জী পুথি আকাৰত লিপিবদ্ধ কৰা হৈছিল যাক টাই ভাষাত লাইলিক আৰু অসমীয়াত বৰপাহী বুৰঞ্জী বোলা হয়। ঠিক তেনেদৰে এটা ঘটনাক লৈ লিখা বুৰঞ্জী সমূহক লিট অৰ্থাৎ অসমীয়া ভাষাত কথা বুৰঞ্জী বোলা হয়। তাৰোপৰি যিবিলাক বুৰঞ্জীত সৃষ্টিৰ উৎপত্তি, ইন্দ্ৰ, স্বৰ্গ আদি আহোম সকলৰ উৎপত্তিৰ সম্পৰ্কে তেওঁলোকৰ মাজৰ যি জনশ্ৰুতি মূলক কাহিনী আছে, সেই বিলাক বুৰঞ্জীক 'দেও বুৰঞ্জী' বোলে আৰু এই বিধ বুৰঞ্জীত ম্যাং-ৰি-ম্যাং-ৰাম ৰাজ্যত খু-লুং-খুনলাই (ইন্দ্ৰৰ নাতিয়েক) আৰু তেওঁ বিলাকৰ অনুগামী সকলে ৰাজ্য স্থাপ কৰাৰ আগৰ সময়ৰ কাহিনী সন্নিবিষ্ট কৰা হৈছে। এই বিধ বুৰঞ্জীত সন্নিবিষ্ট কাহিনী বা জনশ্ৰুতি সমূহত মূল টাই ধাৰণা আৰু হিন্দু শাস্ত্ৰৰ গোন্ধ পোৱা যায় । আহো সকলে ৰাজত্ব কৰাৰ সময়ত তেওঁলোকৰ ৰাজবংশৰ সমূহৰ বিষয়ে লিখা বুৰঞ্জী সমূহেও অসমীয়া সাহিত্যত গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে । এই সমূহ বুৰঞ্জী ভিতৰত পুৰণি অসমৰ বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী, সাতসৰী বুৰঞ্জী , তুংখুঙ্গীয়া বুৰঞ্জী কছাৰী বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী , জয়ন্তীয়া বুৰঞ্জী আদি ভালেমান উল্লেখযোগ্য গ্ৰন্থৰ না



উনুকিয়াব পাৰি । ইয়াৰোপৰি মহাপুৰুষ সকলৰ বংশাৱলী সমূহো ঐতিহাসিক মূল্যৰে সমৃদ্ধ পুথি । এই ক্ষেত্ৰত দৰঙৰ ৰজা সমুদ্ৰ নাৰায়ণৰ পৃষ্ঠপোষকতাত সূৰ্যখৰি দৈৱজ্ঞৰ দ্বাৰা ৰচিত "দৰং ৰাজবংশৱালী বিশেষভাৱে এখন উল্লেখনীয় পুথি । তাৰোপৰি ঐতিহাসিক তথ্যপাতি, সামাজিক মূল্যবোধ গোন্ধ পোৱা যায় সেই সময়ৰ গীত সমূহো অসমীয়া সাহিতৰ এক আপুৰুগীয়া সম্পদ . এনে গীত সমূহৰ ভিতৰত বৰফুকনৰ গীত, পদুম কুঁৱৰীৰ গীত , কমলা কুঁৱৰী গীতৰ নাম উল্লেখনীয় ।

আনহাতে সংস্কৃতি সাহিত্যৰ পৃষ্টপোষকতা কৰা আহোম সকলৰ দিনত ভালেমান সংস্কৃতি পুথি অসমীয়া ভাষালৈ অনুবাদ কৰা হৈছিল।ৰামায়ণ, পুৰাণ, মহাভাৰতৰ শান্তি পৰ্ব সৰ্বানন্দ দ্বিজেক অসমীয়ালৈ অনুবাদ কৰিছিল । তাৰোপৰি ভালেমান জ্যোতিষ বিদ্যা, চিকিৎসা বিদ্যা পুথি সেই সময়তে ৰচনা কৰা হৈছিল।

অসমীয়া বুৰঞ্জীবোৰ কেৱল ঐতিহাসিক তথ্য -পাতিৰ একোটা নীৰস টোপলাই নহয়, ই সাহিত্যৰ একো একোটা ৰসাল ফল বুলিব পাৰি।এই সমূহ বুৰঞ্জী অসমীয়া কথা সাহিত্যলৈ এটি অতুলনীয় অৱদান । এই ক্ষেত্ৰত ড০ সুনীতি কুমাৰ চট্টোপাধ্যায়ে বুৰঞ্জী সাহিত্যৰ ৰীতিৰ থলুৱা কথিত ভাষাৰ গোন্ধ, এই সাহিত্য সৰল ৰতি আৰু শক্তিশালী বুলি মতপোষণ কৰা ড০ চট্টোপধ্যায়ে ভাৰতত ৰচিত সমসাময়িক ফাৰ্চী বুৰঞ্জী সমূহৰ লগত অসমীয়া বুৰঞ্জী সমূহৰ মৌলিক পাৰ্থক্য দিশটো নিৰূপণ কৰিছে ।

বৰ্তমান সময়ত অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে আলোচনা কৰা বা পুৰণি বুৰঞ্জীৰ সমল লৈ সাহিত্য সৃষ্টিৰ প্ৰয়াস নোহোৱা নহয় তথাপিও কেতবোৰ তথ্যপাতিৰ অভাৱ অনুভৱ কৰা যায় , কিয়নো বৰ্তমান সময়তো ভালেমান বুৰঞ্জী পুথি পোহৰলৈ অহাই নাই । গাঁৱে-ভুঁঞে সিঁচৰিত হৈ থকা বহুতো বুৰঞ্জী উদ্ধাৰ নোহোৱালৈক বুৰঞ্জী সাহিত্যৰ সম্যক আৰু বিস্তৃত আলোচনা সম্পূৰ্ণ হৈছে বুলি ক'ব নোৱাৰি । সেৱা হলেও বিভিন্ন দিশৰ বুৰঞ্জী সমূহে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা বৰঙণিৰ বিষয়ে অস্বীকাৰ কৰিব নাৱাৰি ।

(মৃদুপৱন গোস্বামী আৰু চেনেহী বেগমৰ অসম আৰু আধুনিক বুৰঞ্জী আৰু ড০ লীলা গগৈৰ বুৰঞ্জী সাহিত্যৰ গ্ৰন্থৰ আলম লৈ যুগুটোৱা হৈছে উপৰোক্ত প্ৰবন্ধটি ।)

# আধুনিক চীনৰ জনক
# ডাঃ চান্ ইয়াত-চেন্

*বনদীপ চাংমাই*
*প্ৰথম বৰ্ষ্মাৰ্বিক*

বিশ্বৰ প্ৰাচীনতম সভ্যতা সমূহৰ স্ৰষ্টা হিচাপে যিবোৰ দেশে গৌৰৱ কৰিব পাৰে তাৰ ভিতৰত চীন হ'ল অন্যতম। ঊনবিংশ শতিকাৰ আৰম্ভণিতেই চীন দেশলৈ আৰম্ভ হৈছিল ইউৰোপীয় সম্ৰাজ্যবাদীৰ আগ্ৰাসন। লাহে লাহে বিদেশী সম্ৰাজ্যবাদৰ শোষণ আৰু লুণ্ঠত চীনা সমাজ স্থবিৰ হৈ পৰে। চীনা শাসক সকলেও সম্ৰাজ্যবাদী শক্তি সমূহৰ প্ৰভাৱত পৰি দেশত অত্যাচাৰি শাসন সূচনা কৰিছিল। এই ক্ষহিষ্ণু সমাজৰ পৰিৱৰ্ত্তন ঘটাই এখন আধুনিক চীন গঢ়াৰ দুৱাৰ মুকলি কৰিবলৈ যি গৰাকী ব্যক্তি আগবাঢ়ি আহিছিল তেওঁৱেঁই হৈছে ডাঃ চান ইয়াং - চেন্।

তেওঁ অত্যন্ত দক্ষতাৰে চীনৰ মাঞ্চু ৰাজতন্ত্ৰৰ বিৰোধী বিদ্ৰোহক প্ৰজাতন্ত্ৰ বাদী আন্দোলনলৈ পৰিৱৰ্ত্তিত কৰি চীনত ৰাজতন্ত্ৰ অৱসান ঘটাইছিল। সঁচাকৈ ডাঃ চান্ নামটো চীন দেশৰ ঐক্য আৰু স্বাধীনতাৰ প্ৰতীক স্বৰূপ আছিল। জাতীয়তাবাদী সকলে ডাঃচান্ ইয়াং চেন্ক " আধুনিক চীনৰ জনক আৰু কমিউনিষ্ট সকলে বিপ্লৱৰ বাটকটীয়া " উপাধীৰে বিভূষিত কৰিছিল। এই বিপ্লৱৰ বাটকটীয়া ডাঃচান্ ইয়াং চেন্ৰ জন্ম হৈছিল ১৮৬৬ চনৰনৱেম্বৰ মাহৰ ১২ তাৰিখে দক্ষিণ চীনৰ কুৱানটুং ( Kwantang) প্ৰদেশৰ চিয়াং চান ( Hsiang - Shan) নামে ঠাইৰ এক দুখীয়া পৰিয়ালত। তেওঁ আছিল আধুনিক গণতান্ত্ৰিক আদৰ্শৰ দৃঢ় সমৰ্থক। তেওঁৰ দেশপ্ৰেম আছিল নিভাঁজ, নিকা চৰিত্ৰৰ আৰু ভীষণ সাহসী লোক। চীনৰ অৰ্ধ সামান্ততান্ত্ৰিক আৰু অৰ্ধ গুণনিৱেশিক সমাজখনক এখন আধুনিক প্ৰগতিশীল সমাজলৈ ৰূপান্তৰ কৰাই আছিল তেওঁ জীৱনৰ ব্ৰত। তেওঁ শিক্ষা গ্ৰহণ কৰিছিল হাৱাই দ্বীপত। ১৮৮৩ চনত তেওঁ হংকংলৈ আহি চিকিৎসা শিক্ষাৰ পাটনি মেলে। হংকংত শিক্ষা লাভ কৰি থকা সময়তে ১৮৮৫ চনত লু-মু-চেন ( Lu-Mu-Chen) নামৰ এগৰাকী ছোৱালীক ঘৰৰ পচন্দমতে বিয়া কৰাই আৰু সেই একে বছৰতে চান্ এজন আমেৰিকান পাদুৰীৰ ওচৰত খৃষ্টধৰ্মৰ দ্বাৰা দীক্ষিত হয়। ১৮৮৫ চনত তেওঁৰ আত্ম জীৱনী লিখি উলিয়াই। ১৮৯২ চনত হংকংত চিকিৎসা মহাবিদ্যালয়ৰ পৰা চিকিৎসা বিজ্ঞানত স্নাতক উপাধী লাভ কৰে আৰু চাকৰি জীৱন আৰম্ভ কৰে। কিন্তু দুৰ্দশা গ্ৰস্থ অৱস্থাই তেওঁৰ ৰাজনীতিৰ পথাৰলৈ আকৰ্ষিত কৰে। সেই সময়ত ডাঃচানে্ পশ্চিমীয়া শিক্ষা গ্ৰহণ কৰি থকা চীনৰ ব্যক্তি সকলৰ সৈতে দেশৰ অৱস্থা সম্পৰ্কে আলোচনা কৰে। তেওঁলোক বহুতেই তেওঁক সমৰ্থন জনোৱাৰ লগতে আৰ্থিক সাহাৰ্যও আগবঢ়াইছিল। ১৯৯৪ চনত তেওঁ " চীনৰ পুনৰ সঞ্জীৱন সমিতি "(Revivet China Society) নামৰ এটা গুপ্ত সংস্থা গঠন কৰে। ৮৯৪-৯৫ চনত চীন জাপান যুদ্ধত চীনৰ পৰাজয় সুযোগ লৈ চানে্ কেন্টনত এক বিদ্ৰোহৰ গুৰি ধৰে। কিন্তু এই বিদ্ৰোহ ব্যৰ্থ হয় ডাঃচানে্ প্ৰায় ১৬ বছৰ বিদেশত নিৰ্বাসিত জীৱন কটাব লগাত পৰে। ৮৯৬ চনত ডাঃচান্ ইয়াং চেনে্ ছদ্মবেশত লণ্ডনৰ চীনা দূতাবাসৰ এজন ব্যক্তিক লগ কৰিবলৈ চেষ্টা কৰাত ধৰা পৰি প্ৰায় ১৩ দিন বন্দী হৈ থাকিব লগা হয়। কিন্তু হংকংৰ ইংৰাজীৰ অধ্যাপক এজনৰ সহায়ত তেওঁ মুক্তি লাভ কৰে। এই ঘটনাটোৱে চান্ক যথেষ্ট জনপ্ৰিয় কৰি তোলে। ১৯০৫ চনত ডাঃ চান্ "চীনৰ পুনৰ জীৱন সমিটি " আধুনিক আৰু সংসদৰ ৰূপ দি " কু-মিন - টাং " নামৰ এটা ৰাজনৈতিক দল গঠন কৰে। এই দলৰ লক্ষ্য আছিল - অত্যাচাৰী মাঞ্চুৰ ৰাজতন্ত্ৰৰ উচ্ছেদ কৰা, চীনক নৱজীৱন দান কৰা, চীনৰ প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা আৰু চীনৰ প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা আৰু চীনৰ ভূমি সংস্কাৰ।

এই লক্ষ্যত উপনীত হবলৈ ডাঃ চানে্ তিনিটা নীতি ঘোষণা কৰিছিল। এই নীতি কেইটা হ'ল - চানমিন চু-আই (San Min Chui - I ) বা জাতীয়তাবাদ, গণতন্ত্ৰ আৰু ৰাইজৰ জীৱিকা। এই আদৰ্শ প্ৰচাৰৰ বাবে তেওঁ " মীন পাও " (ৰাইজৰ কাকত) নামৰ এখন মুখপত্ৰ প্ৰচাৰ কৰিছিল। এই কাকতৰ যোগেদি চীনত গণতন্ত্ৰ, জাতীয়াবাদ, কৰ্ম সংস্কৃতি গঢ়ি তোলাত প্ৰচাৰ চলোৱা হৈছিল আৰু বিশ্বৰ বিভিন্ন বিপ্লৱবা-বাতৰি প্ৰচাৰ কৰিছিল। তেওঁ ৰাজতন্ত্ৰক উচ্ছেদৰ লক্ষ্যৰে (সহস্ৰ) বিপ্লৱী বাহিনী গঠন কৰিছিল। ১৯০৫ আৰু ১৯০৮ চনৰ ভিতৰত কেইবাখনো প্ৰদেশত ৰাজতন্ত্ৰৰ বিৰুদ্ধে গণ আন্দোলন গঢ়ি তুলিছিল। ১৯০৯ আৰু ১৯২০ চনত দেকা দিয়া দুৰ্ভিক্ষৰ সময়ত বিৰাত প্ৰতিবাদী আন্দোলন গঢ়ি তোলা হৈছিল। ১৯১১ চনৰ ১০ অক্টোবৰত চীনা সৈন্য বাহিনীৰ মাজতো বিপ্লৱী চিন্তা - চেতনাই গা কৰি উঠে। বাহিনীৰ এদল সেনাই সেই দিনা মুক্ত বিদ্ৰোহ ঘোষণা কৰিছিল আৰু তেওঁলোকে ৰাজঅস্ত্ৰাগাৰ লুণ্ঠন কৰে। ডাঃ চান্ৰ নেতৃত্বত আৰম্ভ হোৱা গণ আন্দোনে এনেকৈয়ে বল বিপ্লৱলৈ ৰূপান্তৰিত হৈ মাঞ্চুৰ ৰাজবংশৰ পতন মাতি আনিলে। মাঞ্চুৰ ৰাজতন্ত্ৰক উচ্ছেদ কৰি ডাঃ চানে্ প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰি ১৯১১ চনৰ অক্টোবৰ মাহত নিজে ৰাষ্ট্ৰপতি

দায়িত্ব লৈছিল । তেওঁৰ চৰকাৰে নানকিংঙত ৰাজধানী স্থাপন কৰি প্ৰশাসনিক কাৰ্য পৰিচালনা কৰিছিল । কিন্তু সেই সময়ত চীনত কেইবাখনো প্ৰদেশে ৰাজতন্ত্ৰৰ প্ৰতি অনুগত হৈ প্ৰজাতন্ত্ৰৰ প্ৰতি বিৰোধিতা কৰিছিল । কিন্তু সেই দেশত গৃহ যুদ্ধৰ সূচনা হৈছিল । গৃহ যুদ্ধৰ পৰা ৰক্ষা কৰি নতুন গণৰাজ্যখনক শক্তিশালী কৰাৰ উদ্দেশ্যৰে চানে্ সেনাবাহিনীৰ জেনেৰেল যুৱান চি কাইৰ লগত বুজাপৰালৈ আহি ৰাষ্ট্ৰপতি পদ এৰিদিছিল । ইয়াৰ পাছৰ দিনাই যুৱানক প্ৰজাতান্ত্ৰিক জীনৰ প্ৰেচিডেন্ট নিযুক্ত হৈ চানক চানক ৰেলৱে উন্নয়ন বিভাগৰ প্ৰধান সঞ্চালক হিচাপে নিযুক্তি দিয়ে। যুৱানে নিৰ্বাচিত মন্ত্ৰী সকলক লৈ এখন সাংসদ গঠনৰ ব্যৱস্থা কৰিলে । প্ৰেচিডেন্ট আৰু তেওঁৰ মন্ত্ৰী সভাক সংসদৰ ওচৰত দায়িত্বশীল কৰা হ'ল । সংসদত কুওমিন্টাংবা জাতীয়তাবাদী দলে সংখ্যা গৰিষ্ঠতা লাভ কৰিছিল । ডাঃ চান্ ইয়াং চেন্ তথা কুওমিন্টাং দলৰ যুৱান চি-কাইৰ লগত সু-সম্পৰ্ক সুদীৰ্ঘ কাল স্থায়ী নহ'ল । যুৱানে অচিৰেই সংসদীয় চৰকাৰৰ প্ৰতি থকা তেওঁৰ ব্যতিৰাগ প্ৰকাশ কৰিলে । তেওঁ স্বেচ্ছাচাৰী সামৰিক শাসন প্ৰৱৰ্তন কৰাত দেশত পুনৰ বিক্ষোভ দেখা দিলে । এই সমস্যা সমাধানৰ বাবে ডাঃ চানে্ বহুবোৰ ব্যৱস্থা হাতত লৈছিল যদিও বিশেষ সফল হব পৰা নাছিল । চীনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত কেন্টন আৰু পিকিং দুয়োটা চৰকাৰকএকত্ৰীকৰণ কৰিবৰ বাবে এক সন্মিলিত আলাপ আলোচনা চলি থাকোতেই ১৯২৫ চনৰ ১২ মাৰ্চ তাৰিখে ডাঃ চান্ ইয়াংৰ - চেনে্ পিংকিত শেষ নিশ্বাস ত্যাগ কৰে । চুম্বকৰ দৰে আকৰ্ষণীয় গ্ৰেণাইট শিলৰ দৰে অদনীয় ব্যক্তিত্বৰ ডাঃ চান্ ইয়াত-চেন্ কোনো কাৰ্য্যৰ মাজত তেওঁৰ ব্যক্তিগত স্বাৰ্থৰ লেখমানো পৰশ পৰা নাছিল । সেয়েহে তেওঁৰ মৃত্যুত শোকাচ্ছন্ন হৈ পৰা চীন বাসীয়ে তেওঁক জাতীয় বীৰৰ মৰ্যদা প্ৰদান কৰিছিল । আৰু তেওঁৰ সমাধি জাতীয় তীৰ্থস্থান স্বৰূপ হৈ পৰিছিল । চীনদেশৰ লোক সকলে ডাঃ চান্ৰ দেশ প্ৰেম , ত্যাগ , জাতিয়তাবাদ আৰু প্ৰজাতন্ত্ৰৰ নীতিক পৰৱৰ্ত্তী কালত গ্ৰহণ কৰি আধুনিক চীন গঢ়াত অৰিহণা যোগায় ।


উৎস ঃ ১। আধুনিক বিশ্ব আৰু অসম বুৰঞ্জী
তৰিণী তালুকদাৰ
২। উচ্চতৰ মাধ্যমিক বুৰঞ্জী
ড০ তচমুক আশ্বাঞ্জল হুচেইন




# আহোম ৰাজত্বৰ সোণোৱালী স্বাক্ষৰ বহন কৰা গৌৰীসাগৰ ঃঃ এক চমু আলোকপাত ঃঃ


*শ্ৰীমতী দ্যুতিময়ী বড়া*
*প্ৰথম ষন্মাষিক*



শিৱসাগৰ নগৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ নিলগত আহোমৰ ৰাজত্বকালৰ বুৰঞ্জী প্ৰসিদ্ধ ঠাই গৌৰীসাগৰ অৱস্থিত । এই বুৰঞ্জী প্ৰসিদ্ধ ঠাই হিচাপে বৰ্তমান খ্যাত গৌৰীসাগৰতেই বৰ ৰজা ফুলেশ্বৰী কুঁৱৰী বা প্ৰথমেশ্বৰীয়ে খন্দোৱা পৃথিৱীৰ ভিতৰত দ্বিতীয় সৰ্ব বৃহৎ পুখুৰীটো আছে । আহোমৰ ৰাজত্ব কালৰ প্ৰাচীন কীৰ্তি চিহ্ন দৌল - দেৱালয় আদিৰ বাবেই বৰ্তমান সময়ত এই ঠাইখন বুৰঞ্জীৰে ভৰপূৰ ঠাই হিচাপে জিলিকি আছে । ভাস্কৰ্যৰে সুশোভিত হৈ থকা দেৱী দৌল , শিৱ দৌল আৰু বিষ্ণু দৌল এই পুখুৰীটোৰ উত্তৰ পাৰতে অৱস্থিত । জনশ্ৰুতি মতে , চিনা তলীয়া নটৰ জীয়াৰী ফুলমতী জয়দৌলৰ এগৰাকী নাচনী আছিল আৰু একেখন গাঁৱৰে এজন ডেকা গৌৰীনাথ ফুলমতীৰ অনুৰাগ আছিল । অপূৰ্ব সুন্দৰী ফুলমতীক দেখি স্বৰ্গদেউ শিৱ সিংহ তেওঁৰ ৰূপত মুগ্ধ হৈ ফুলমতীক বিয়া কৰাই ফুলেশ্বৰী নাম দি কাৰেঙৰ বৰ কুঁৱৰী পাতে । অতি উচ্চকাঙ্খী ফুলেশ্বৰীয়ে ৰজাৰ ছত্ৰভংগযুগত 'বৰ ৰজা' উপাধিৰে ৰাজদণ্ড হাতত লয় আৰু তেতিয়াৰে পৰাই তেওঁ বৰ ৰজা ফুলেশ্বৰী কুঁৱৰী নামেৰে জনাজাত হয় । আনহাতে ফুলমতীৰ অনুৰাগ গৌৰীনাথৰ সপোন বাস্তৱত পৰিণত নহ'ল । গৌৰীনাথৰ অন্তৰৰ কৰুণ বিননি কাৰেং ভেদ কৰাৰ আগতেই স্বৰ্গদেউৰ নিদেৰ্শত গৌৰীনাথক শিৰচ্ছেদ কৰা হয় । গৌৰীনাথৰ মৃত্যুৰ বাতৰি পাই ফুলেশ্বৰী কুঁৱৰী বাউলী হৈ তেওঁৰ স্মৃতি অটুট ৰাখিবলৈ ১৬৪৫ শকত তেওঁৰ নামেৰেই নামাকৰণ কৰি গৌৰীসাগৰ পুখুৰী খন্দাই পাৰত ভাস্কৰ্যৰে শোভিত দৌল প্ৰতিষ্ঠা কৰিলে । এই গৌৰীসাগৰ পুখুৰীটোৰ কালি আছিল ১১৩ পুৰা এক বিঘা দুই কঠা ১৫ লোচা (প্ৰায় ১৫০ একৰ)

গৌৰীসাগৰৰ দাতিয়েদি বৈ গৈছে নামডাং ফল্গুধাৰা । এই নামডাং স্বৰ্গদেউ ৰুদ্ৰসিংহই স্থাপন কৰা ৰংপুৰ নগৰৰ পশ্চিম সীমাত অৱস্থিত । সেই সময়ৰ তীব্ৰবেগী নামডাং নৈৰ ওপৰত স্বৰ্গডেউ ৰুদ্ৰসিংহই ১৭০৩ খ্ৰীঃ ত নামডাং শিলৰ সাকোঁ নিৰ্মাণ কৰে । সমগ্ৰ বিশ্বৰ ভিতৰতে অদ্বিতীয় আধুনিক কাৰিকৰী আৰু

প্ৰযুক্তিবিদ্যাৰ দিশৰ পৰা বিজ্ঞান সন্মত নামডাং শিলৰ সাকোঁ প্ৰায় ২০০ ফুট দীঘল। জনশ্ৰুতি মতে, চতিয়া শিল শলখা মাৰি গাঁঠি এই সাকোঁ নিৰ্মাণ কৰা হৈছিল। নামডাং শিলৰ সাকোঁৱে ৩০০ বছৰ অক্ষয় অৱস্থাত থাকি সেই যুগৰ প্ৰযুক্তি বিদ্যাক উজ্বলাই তুলিছে।

নামডাং শিলৰ সাকোঁৰ পৰা যোৰহাট দিশে অলপ আগুৱাই আহিলেই মিটং নদী দেখা পোৱা যায়। মিটং নদীৰ ওপৰত বৰ্তমান সময়ত পকী দলং গঢ়ি উঠিছে যদিও সেই সময়ত ই এটা সৰু সুঁতি আছিল বুলিহে ঠাৰৰ কৰিছে। মিটং নদী পাৰ হ'লেই ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিতে সৰু বৰ কেইবাটাও মৈদাম দেখা পোৱা যায়। সেই মৈদাম সমূহৰ ভিতৰৰে এটা মৈদাম মোমাই তামুলী বৰবৰুৱাৰ মৈদাম বুলি অনুমান কৰা হয়।

এয়াই আহোমৰ ৰাজত্ব কালৰ কীৰ্তি চিহ্ন দৌল দেৱালয়ৰে পৰিপূৰ্ণ বুৰঞ্জীৰ পাতত আজিও জিলিকি থকা গৌৰীসাগৰ।



ৰংপুৰৰ ৰংঘৰ



# MAJOR GENERAL JOSEPH WARREN STILLWELL : THE UNKNOWN SOLDIER

*Siddhartha Pait*
*Asstt. Prof. of History*
*Sarupathar College*

During the second world war Upper Assam was the most vital strategic point for the allied force to prevent the Japanese aggression in the conflict zone of Northern Burma. The Japanese forces become powerful in the sub continent of South Asia. They even launched naval embargo against China and within March 1942. General still well was entrusted to prevent the Japanese from eastern front of the British India. The Japanese naval predominance in the subcontinent ultimately brought Rangoon under their control. Major stillwell who was put in command of the eastern front of British India, he immediately did not of find any islands to set up naval base to face the Japanese forces. Since navy had always been the strength of the Americans. He decided to build an Allied assault front against the Japanese in the eastern front of Assam. But the eastern part of the province had no outlet to maritime ports leading to the pacific for supply of arms and logistics.

The part of eastern Assam and northern Burma is widely a tropical rain forest area with mountains and inhospitable terrain. The Hukong valley of chindwin river was known as valle of death as Allied soldiers died here succumbing to malaria than Combat reasons. It was 1943, the Historic was conclave was made in Ledo town

of Tinsukia district and major General Lewis A. Pick and Commander major General Joseph Stellewell finalized the route map to construct 1726 KM long road from Lekhapani of Tinsukia to Kungming of South China connecting three countries - India, Burma and China together. Stellwell was firm on his believe that construction of road was the only option that can resist the Japanese. The construction of the road started from 26th December 1943. It facililated the first convoy of over a 115 vehicles which reached Chinese Southern province of Kunming on January 1945 under the command of major General pick. Allied soldiers had paid heavily with their lives in the thick and impregnable jungles of Northern Burma and Eastern Assam mostly attributing to malaria. However, the effort had long lasting impact in the prospect of the Nort East India. Today the stillwell road constructed by the gallant army officer is under much speculation for innovation to faciliate trade and commerce between India and the South East Asian countries.

The inhospitable terrains of Burma front never provided any scope for medical assistance to wounded victims of the war. Thus, General stillwell had to submit a petition to the then Deputy Commissioner of Greater Lakhimpur district, Mr. C.S. Gunning, for land acquisition in Barbari race course area present day Dibrugarh district. The Deputy Commissioner had easily sanctioned the complete plot of the race course. Old barracks and thatch huts were used to provide primary health care to the war casualities from from Burma front. It was soon



converted into a recognised base hospital. Soon, on the instruction of General Stillwell, infrastructures of 26 IGCH Hospital of New York were brought to the base hospital at Dibrugarh. It was considered as one of the world's best hospital management. In short span of time the once dilapidated hospital was converted into full fledged us military base hospital. It came to thick of events in the course of second world war where war casualities were brought to the base hospital to provide best of treatment.

The Assam Medical College is therefore an upgraded conversion of United States base hospital which owes much to the new year based 26 IGCM Hospital. It was brain child of General Stillwell. The genesis of Medical and health service of sow in this remote part of country by General Stillwell. Later Dr. Berry white pioneered medical education in this remote eastern frontier of India. The gallant effort of this illustrious general opened the prospects of health service. After the end of the world war, the American left all the infrastructures and equipments as a gift to the Assam Government.

It is time that we remember General Stellwell's ground breakings efforts whose farsighted steps gives us even today the live evidence of spirit of service and dedication. An American who had contributed utringly in bringing forth the first ever advanced health care facility in the region. A soldier whom history will always remember for the right reasons. ●